**অসম বিধান সভা**
**মৌখিক প্ৰশ্ন নং- ৮৩**
**উত্তৰ দিয়াৰ তাৰিখ-১০/০৭/২০২৬**

**বিষয়:** Village Health Guide (VHG) সকলৰ চাকৰি নিয়মীয়াকৰণ আৰু মাননি বৃদ্ধি সংক্ৰান্তত।

শ্ৰী ধৰ্ম্মেশ্বৰ কোঁৱৰ, মাননীয় বিধায়ক।

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমানজন Village Health Guide (VHG) কৰ্মৰত হৈ আছে আৰু চৰাইদেউ জিলাত কিমানজন আছে ? জনাব।

(খ) VHG সকলক বৰ্তমান কিমান মাননি প্ৰদান কৰা হয় আৰু মাননি বৃদ্ধিৰ কোনো প্ৰস্তাৱ চৰকাৰৰ আছে নেকি ?

(গ) দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াই অহা VHG সকলৰ চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা আৰু পেঞ্চন, বীমা আৰু অন্যান্য সুবিধা প্ৰদানৰ বাবে চৰকাৰৰ কোনো পৰিকল্পনা আছে নেকি ?

(ঘ) VHG সকলৰ সমস্যা সমাধান আৰু কল্যাণৰ বাবে চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিছে ?

**-উত্তৰ-**

মাননীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অশোক সিংহল মহোদয়ে উত্তৰ দিব।

(ক) অসমত বৰ্তমান কোনো Village Health Guide (VHG) কৰ্মৰত হৈ থকা নাই। চৰাইদেউ জিলাত কোনো Village Health Guide (VHG) কৰ্মৰত হৈ থকা নাই ।

Male Village Health Guide, ১৯৮৬ চনত আৰু Female Male Village Guide সকলক ২০০২ চনত কৰ্মৰ পৰা অব্যাহতি দিয়া হৈছিল।

(খ) যিহেতু Village Health Guide (VHG) সকলক অব্যাহতি দিয়া হৈছে গতিকে বৰ্তমান মাননি প্ৰদান আৰু মাননি বৃদ্ধিৰ প্ৰস্তাবৰ প্ৰশ্ন নুঠে।

(গ) যিহেতু Village Health Guide (VHG) সকলক অব্যাহতি দিয়া হৈছে গতিকে চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা আৰু পেঞ্চন, বীমা আৰু অন্যান্য সুবিধা প্ৰদানৰ বাবে বৃদ্ধিৰ প্ৰস্তাবৰ প্ৰশ্ন নুঠে ।

(ঘ) উত্তৰ (গ) ৰ সৈতে একে।

---০০০---

**বিঃ দ্ৰঃ -ওপৰোক্ত উত্তৰবোৰ ইতিমধ্যে অনলাইনত আপলোড কৰা হৈছে।**